**NSD NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 12-08-2025 **Time :** 1340 Hrs.

***Assamese Midday Bulletin***
***HEADLINES***

১। বিৰোধী দলৰ সাংসদসকলে বিভিন্ন বিষয় লৈ সৃষ্টি কৰা হুলস্থূলীয়া পৰিস্থিতিৰ পৰিপ্ৰেক্ষিতত লোকসভাৰ অধিৱেশন আজি বিয়লি তিনি বজালৈ আৰু ৰাজ্য সভাৰ অধিৱেশন ২ বজালৈ স্থগিত ৰাখিবলগীয়া হয়।

২। কেন্দ্ৰীয় চৰকাৰে প্ৰধানমন্ত্ৰী আবাস যোজনা, গ্ৰামীণৰ অধীনত দেশৰ ভিন ভিন ৰাজ্য আৰু কেন্দ্ৰীয় শাসিত অঞ্চলৰ বাবে বৰ্তমানলৈ চাৰি কোটি ১২ লাখ গৃহ নিৰ্মাণত অনুমোদন জনাইছে।

৩। ভাৰত আৰু ছিংগাপুৰৰ মাজৰ মন্ত্ৰী পৰ্যায়ৰ তৃতীয় ঘূৰণীয়া মেজমেল কাইলৈ নতুন দিল্লীত অনুষ্ঠিত কৰিবলৈ লোৱা হৈছে।

৪। ভাৰত আৰু অষ্ট্ৰেলিয়াৰ মাজৰ দ্বিপাক্ষিক প্ৰতিৰক্ষা সহযোগিতা বৃদ্ধিকে ধৰি বিভিন্ন বিষয় লৈ আলোচনাৰ বাবে দুয়োখন দেশৰ সেনা প্ৰধানৰ মাজত নতুন দিল্লীত আলোচনা অনুষ্ঠিত হৈছে।

আৰু

৫। বেংককত অনুষ্ঠিত ১৯ আৰু ২২ বছৰ অনুৰ্ধ এছিয়ান বক্সিং চেম্পিয়নশ্বিপত ২৭টা পদকেৰে ভাৰতে সফলতা অৰ্জন কৰিছে।

০০০০০০০

বিৰোধী দলৰ সাংসদসকলে বিভিন্ন বিষয় লৈ সৃষ্টি কৰা হুলস্থূলীয়া পৰিস্থিতিৰ পৰিপ্ৰেক্ষিতত লোকসভাৰ অধিৱেশন আজি বিয়লি তিনি বজালৈ আৰু ৰাজ্য সভাৰ অধিৱেশন ২ বজালৈ স্থগিত ৰাখিবলগীয়া হয়। লোকসভাত প্ৰথমবাৰৰ বাবে স্থগিত ৰখাৰ পাছত দুপৰীয়া ১২ বজাত সদন পুনৰ মিলিত হোৱাৰ সময়ত অধ্যক্ষ ওম বিৰলাই উচ্চ ন্যায়ালয়ৰ ন্যায়াধীশ যশৱন্ত বাৰ্মাৰ বিৰুদ্ধে উত্থাপিত অভিযোগৰ তদন্তৰ বাবে এখন তিনিজনীয়া সমিতি গঠন কৰাৰ বিষয়ে ঘোষণা কৰে। ইয়াৰ পাছত প্ৰিজাইডিং বিষয়া সন্ধ্যা ৰায়ে সদনৰ শূন্যকাল আগবঢ়াই নিয়াৰ চেষ্টা কৰে যদিও বিৰোধী দলৰ সাংসদসকলে বিহাৰত ভোটাৰ তালিকাৰ বিশেষ বিস্তৃত সংশোধনীক লৈ আলোচনাৰ দাবীত হুলস্থূলীয়া পৰিস্থিতিৰ সৃষ্টি কৰে। সদনৰ অধ্যক্ষই শূন্যকাল আগবঢ়াই নিয়াৰ বিষয়ত সহযোগ কৰিবলৈ বিৰোধী পক্ষৰ সাংসদসকলক অনুৰোধ জনায় যদিও তেওঁৰ এনে অনুৰোধ অথলে যায় আৰু হুলস্থূলীয়া পৰিস্থিতিৰ মাজতে অধ্যক্ষই সদন তিনি বজালৈ স্থগিত ৰখাৰ কথা ঘোষণা কৰে।

ইয়াৰ পূৰ্বে দিনৰ ১১ বজাত সদন মিলিত হোৱাৰ পাছতে বিৰোধী দলসমূহে ভোটাৰ তালিকাৰ বিশেষ বিস্তৃত সংশোধনীৰ প্ৰসংগ উল্লেখ কৰি এই বিষয়ত আলোচনা বিচাৰি প্ৰতিবাদ সাব্যস্ত কৰে। অধ্যক্ষ ওম বিৰলাই প্ৰশ্নকাল আগবঢ়াই নিয়াৰ চেষ্টা কৰে যদিও বিৰোধী পক্ষৰ সাংসদসকলে বিভিন্ন শ্ল'গানেৰে হুলস্থূলীয়া পৰিস্থিতি অব্যাহত ৰখাত অধ্যক্ষগৰাকীয়ে দিনৰ ১২ বজালৈ সদন স্থগিত ৰখাৰ কথা ঘোষণা কৰে। অৱশ্যে ইয়াৰ মাজতে গ্ৰামোন্নয়ন দপ্তৰৰ ৰাজ্য মন্ত্ৰী চন্দ্ৰশেখৰ পেন্মাছানিয়ে প্ৰধানমন্ত্ৰী আবাস যোজনা, গ্ৰামীণ সন্দৰ্ভত উত্থাপিত এটা প্ৰশ্নৰ উত্তৰ দিয়ে।

ৰাজ্য সভাতো আজি অনুৰূপ পৰিস্থিতিৰ উদ্ভৱ হয়। দিনৰ ১১ বজাত সদন প্ৰথমবাৰৰ বাবে মিলিত হোৱাৰ সময়ত উপ-সভাপতি হৰিবংশে সদনৰ শূন্যকাল আগবঢ়াই নিয়াৰ চেষ্টা কৰে যদিও বিৰোধী পক্ষৰ সাংসদসকলে বিহাৰত ভোটাৰ তালিকাৰ বিশেষ বিস্তৃত সংশোধনীকে ধৰি বিভিন্ন বিষয়ক লৈ আলোচনাৰ দাবীত হুলস্থূলীয়া পৰিস্থিতিৰ সৃষ্টি কৰে। উপ-সভাপতিগৰাকীয়ে কয়, যে বিভিন্ন ৰাজনৈতিক দলৰ পৰা তেওঁ ২১ খন স্থগিতকৰণৰ জাননী লাভ কৰিছে আৰু এইবোৰৰ ১১ টা বিষয় আদালতৰ বিচাৰাধীন। নিয়ম অনুসাৰে আদালতৰ বিচাৰাধীন বিষয়সমূহক লৈ আলোচনা কৰিব পৰা নাযায় আৰু এনে কাৰণতে এই জাননীসমূহ বাতিল কৰা হৈছে বুলি তেওঁ উল্লেখ কৰে। শ্ৰী হৰিবংশে প্ৰতিবাদকাৰী সদস্যসকলক নিজ নিজ আসনলৈ উভতি গৈ সদনৰ শূন্যকাল অব্যাহত ৰখাৰ বিষয়ত সহযোগ কৰিবলৈ বাৰম্বাৰ অনুৰোধ জনায় যদিও হুলস্থূলীয়া পৰিস্থিতি অব্যাহত থকাৰ বাবে সদন দিনৰ দুই বজালৈ স্থগিত ৰাখিবলগীয়া হয়।

০০০০০০০০০

কেন্দ্ৰীয় চৰকাৰে প্ৰধানমন্ত্ৰী আবাস যোজনা, গ্ৰামীণৰ অধীনত দেশৰ ভিন ভিন ৰাজ্য আৰু কেন্দ্ৰীয় শাসিত অঞ্চলৰ বাবে বৰ্তমানলৈ চাৰি কোটি ১২ লাখ গৃহ নিৰ্মাণত অনুমোদন জনাইছে। লোকসভাত আজি প্ৰশ্নকালত উত্থাপিত এটা পৰিপূৰক প্ৰশ্নৰ উত্তৰত গ্ৰামোন্নয়ন দপ্তৰৰ ৰাজ্য মন্ত্ৰী চন্দ্ৰ শেখৰ পেন্মাছানিয়ে এই কথা প্ৰকাশ কৰে। মন্ত্ৰীগৰাকীয়ে লগতে কয়, যে ইয়াৰে দুই কোটি ৯০ লাখ গৃহৰ নিৰ্মাণ ইতিমধ্যে সম্পূৰ্ণ হৈছে। বিগত ১০ টা বছৰত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ চৰকাৰে কেন্দ্ৰৰ অংশ হিচাপে দেশৰ ভিন ভিন ৰাজ্য আৰু কেন্দ্ৰীয় শাসিত অঞ্চললৈ দুই কোটি ১৭ লাখ কোটি টকা আগবঢ়াইছে। ইউ পি এ চৰকাৰৰ কাৰ্যকালত এই ধনৰ পৰিমাণ মাত্ৰ ৬৬ হাজাৰ কোটি টকা আছিল বুলিও তেওঁ লগতে প্ৰকাশ কৰে।

০০০০০০০০০

ভাৰত আৰু ছিংগাপুৰৰ মাজৰ মন্ত্ৰী পৰ্যায়ৰ তৃতীয় ঘূৰণীয়া মেজমেল কাইলৈ নতুন দিল্লীত অনুষ্ঠিত কৰিবলৈ লোৱা হৈছে। কেন্দ্ৰীয় মন্ত্ৰী ড° এছ্ জয়শংকৰ, নিৰ্মলা সীতাৰমন, অশ্বিনী বৈষ্ণৱ আৰু পীয়ুষ গোৱেলে এই ঘূৰণীয়া মেজমেলত অংশগ্ৰহণ কৰে। বৈদেশিক পৰিক্ৰমা মন্ত্ৰালয়ৰ এটা বিবৃতিত প্ৰকাশ কৰা মতে এই বৈঠকত ছিংগাপুৰৰ উপ-প্ৰধানমন্ত্ৰী গান কিম য়ং আৰু বিদেশ মন্ত্ৰী যোছেফাইন টিঅ'কে ধৰি কেইবাগৰাকীও মন্ত্ৰীয়ে অংশগ্ৰহণ কৰিব। মন্ত্ৰালয়ে লগতে জানিবলৈ দিয়া মতে মন্ত্ৰী পৰ্যায়ৰ এই ঘূৰণীয়া বৈঠক হৈছে – ভাৰত আৰু ছিংগাপুৰৰ মাজৰ পাৰস্পৰিক সহযোগিতাৰ নতুন কাৰ্যসূচী নিৰ্ধাৰণৰ এটা অনন্য প্ৰক্ৰিয়া। দুয়োখন দেশৰ মাজত থকা কৌশলগত সহযোগিতাৰ বিষয়ে উল্লেখ কৰি বিবৃতিটোত লগতে এই কথাও কোৱা হৈছে যে কাইলৈ হ'বলগীয়া তৃতীয় পৰ্যায়ৰ এই বৈঠকে ভাৰত আৰু ছিংগাপুৰৰ মাজৰ দ্বিপাক্ষিক সহযোগিতাত অধিক সম্প্ৰসাৰিত তথা গভীৰ কৰাৰ উপায় চিনাক্ত কৰিব। উল্লেখযোগ্য যে দেশ দুখনৰ মাজত প্ৰথমখন মন্ত্ৰী পৰ্যায়ৰ ঘূৰণীয়া মেজমেল ২০২২ বৰ্ষৰ ছেপ্তেম্বৰত নতুন দিল্লীত অনুষ্ঠিত হৈছিল।

০০০০০০০০০

অষ্ট্ৰেলিয়াৰ সেনা মুৰব্বী লেফটেনেণ্ট জেনেৰেল চাইমন ষ্টুৱাৰ্টে নতুন দিল্লীত ভাৰতৰ সেনা প্ৰধান জেনেৰেল উপেন্দ্ৰ দ্বিবেদীৰ সৈতে দ্বিপাক্ষিক প্ৰতিৰক্ষা সহযোগিতা বৃদ্ধি আৰু আঞ্চলিক স্থিতিশীলতাৰ বাবে সামৰিক-সামৰিক সংযোগ গভীৰ কৰাৰ বাবে আলোচনাত মিলিত হয়। অষ্ট্ৰেলিয়ান সেনাৰ মুৰব্বী গৰাকীক অপাৰেচন সিন্দুৰ আৰু ভাৰতীয় সেনাত প্ৰযুক্তিৰ ব্যৱহাৰৰ শেহতীয়া অগ্ৰগতিৰ বিষয়ে অৱগত কৰা হয়। সামাজিক মাধ্যমৰ এটা বাৰ্তাত ভাৰতীয় সেনাই কয় যে এই আলোচনাৰ কেন্দ্ৰবিন্দু হৈছে দ্বিপাক্ষিক প্ৰতিৰক্ষা সহযোগিতা বৃদ্ধি, সামৰিকৰ পৰা সামৰিক সংযোগ গভীৰ কৰা । ১৪ আগষ্টলৈ চাৰিদিনীয়া কাৰ্যসূচীৰে লেফটেনেণ্ট জেনেৰেল ষ্টুৱাৰ্ট ভাৰত ভ্ৰমণলৈ আহিছে। তেওঁ আগ্ৰাস্থিত ৫০ (স্বাধীন) পেৰাচুট ব্ৰিগেড পৰিদৰ্শন কৰিব আৰু বিষয়া সকলৰ সৈতে মত বিনিময় কৰিব। নতুন দিল্লীলৈ উভতি অহাৰ পূৰ্বে তেওঁ বিশ্ব বিখ্যাত তাজমহলো পৰিদৰ্শন কৰিব।

000000

ৰাষ্ট্ৰসংঘৰ মানৱ অধিকাৰ কাৰ্যালয়ে গাজাত ইজৰাইলী আক্ৰমণত ছগৰাকী সাংবাদিক নিহত হোৱা ঘটনাক গৰিহণা দিছে। সংস্থাটোৱে এই ঘটনাক আন্তঃৰাষ্ট্ৰীয় আইনৰ গুৰুতৰ উলংঘন বুলি অভিহিত কৰে। ৰাষ্ট্ৰসংঘৰ সচিব প্ৰধান এণ্টনিঅ' গুটেৰেছে এই শেহতীয়া ঘটনাৰ বিষয়ে স্বতন্ত্ৰ আৰু নিৰপেক্ষ তদন্তৰ বাবে আহ্বান জনোৱা বুলিও ৰাষ্ট্ৰসংঘৰ মুখপাত্ৰই প্ৰকাশ কৰে। উল্লেখযোগ্য যে ইজৰাইলী পক্ষই যোৱা দেওবাৰে গাজা চিটীত ` চলোৱা আক্ৰমণৰ সময়ত সংবাদ প্ৰতিষ্ঠান অল জাজিৰাৰ হৈ কাম কৰা পাঁচগৰাকীকে ধৰি মুঠ ছগৰাকী সাংবাদিক নিহত হয়।

০০০০০০০০০

কানাডাৰ প্ৰধানমন্ত্ৰী মাৰ্ক কাৰ্নিয়ে কয়, যে ইউক্ৰেইনৰ ভৱিষ্যত সন্দৰ্ভত গ্ৰহণ কৰিবলগীয়া যিকোনো সিদ্ধান্ত দেশখনৰ জনসাধাৰণে নিজেই ল'ব লাগিব। ইউক্ৰেইনৰ প্ৰধানমন্ত্ৰী ভ'ল'ডিমিৰ জেলেনস্কিৰ সৈতে শ্ৰী কাৰ্নিৰ ফোনত হোৱা কথা-বতৰা সন্দৰ্ভত কানাডাৰ প্ৰধানমন্ত্ৰী কাৰ্যালয়ৰ পৰা প্ৰকাশ কৰা এটা চৰকাৰী বিবৃতিত এই কথা উল্লেখ কৰা হৈছে।

দুয়োগৰাকী নেতাৰ মাজত হোৱা কথোপকথনৰ সময়ত কানাডাৰ প্ৰধানমন্ত্ৰীগৰাকীয়ে অঞ্চলটোত সম্প্ৰতি চলি থকা উত্তেজনাৰ সময়ত ইউক্ৰেইনৰ প্ৰতি তেওঁৰ দেশৰ অকুণ্ঠ সমৰ্থনৰ বিষয়ে দোহাৰে বুলিও বিবৃতিটোত লগতে প্ৰকাশ পাইছে। এই কথোপকথনৰ সময়ত আন্তঃৰাষ্ট্ৰীয় সীমান্ত বলপূৰ্বকভাৱে সলনি কৰাটো সম্ভৱ নহয় বুলি দুয়োগৰাকী নেতাই সহমত প্ৰকাশ কৰে। আনহাতে, আমেৰিকাৰ ৰাষ্ট্ৰপতি ড'নাল্ড ট্ৰাম্প আৰু ৰাছিয়াৰ ৰাষ্ট্ৰপতি ভ্লাডিমিৰ পুটিনৰ মাজত অহা ১৫ আগষ্টত আলাস্কাত হ'বলগীয়া আলোচনাৰ প্ৰসংগ উল্লেখ কৰি কাৰ্নি আৰু জেলেনস্কি উভয়ে ইউক্ৰেইনত শান্তি স্থাপনৰ বাবে আমেৰিকাই গ্ৰহণ কৰা ভূমিকাৰ শলাগ লয়।

০০০০০০০০০

কেন্দ্ৰীয় চৰকাৰৰ সাংস্কৃতিক মন্ত্ৰ্যালয়ে হৰ ঘৰ তিৰংগা অভিযানৰ অধীনত আজি নতুন দিল্লীত এটা তিৰংগা মটৰ চাইকেল সমদলৰ আয়োজন কৰে। দিল্লীৰ মুখ্যমন্ত্ৰী ৰেখা গুপ্তাৰ লগতে কেন্দ্ৰীয় চৰকাৰৰ সাংস্কৃতিক আৰু পৰ্যটন মন্ত্ৰী গজেন্দ্ৰ সিং শেখাৱট আৰু আন দুগৰাকী কেন্দ্ৰীয় মন্ত্ৰী কিৰেণ ৰিজিজু আৰু সঞ্জয় শেঠে এই মটৰ চাইকেল সমদলৰ নেতৃত্ব দিয়ে। উল্লেখযোগ্য যে আজিৰ এই মটৰ চাইকেল সমদল আছিল – আসন্ন স্বাধীনতা দিৱস পৰ্যন্ত আয়োজন কৰা বছৰজোৰা কাৰ্যসূচীৰ অংশবিশেষ। এই অনুষ্ঠানত অংশগ্ৰহণ কৰি শ্ৰী শেখাৱটে ত্ৰিৰংগ পতাকাই দেশখনক কেনেদৰে একতাৰ বান্ধোনেৰে বান্ধি ৰাখে আৰু দেশৰ বাবে প্ৰাণ আহুতি দিয়া ব্যক্তিসকলৰ বিষয়ে মনত পেলাই দিয়ে, সেই কথাত গুৰুত্ব আৰোপ কৰে। আমাৰ দেশখন সম্প্ৰতি বিকশিত ভাৰতৰ দিশে অগ্ৰসৰ হোৱাৰ সময়ত পতাকাখনক তেওঁ একতাৰ প্ৰতীক বুলি অভিহিত কৰে।

০০০০০০০০০

উচ্চ ন্যায়ালয়ৰ ন্যায়াধীশ যশৱন্ত বাৰ্মাৰ বিৰুদ্ধে উত্থাপিত অভিযোগৰ তদন্তৰ বাবে তিনিজনীয়া সমিটী গঠন কৰিছে । উল্লেখ যোগ্য যে যোৱা মাৰ্চ মাহত নতুন দিল্লীত থকা তেওঁৰ বাসগৃহত জ্বলি যোৱা নগদ ধনৰ পৰিমাণ উদ্ধাৰ হোৱাৰ পাছত বাৰ্মাৰ বিৰুদ্ধে দুৰ্নীতিৰ অভিযোগ উত্থাপন হৈছিল। অধ্যক্ষই কয় যে তিনিজন সদস্যৰ পেনেলত উচ্চতম ন্যায়ালয়ৰ ন্যায়াধীশ ন্যায়াধীশ অৰবিন্দ কুমাৰ, মাদ্ৰাজ উচ্চ ন্যায়ালয়ৰ মুখ্য ন্যায়াধীশ ন্যায়াধীশ মণিন্দৰ মোহন শ্ৰীবাস্তৱ আৰু কৰ্ণাটক উচ্চ ন্যায়ালয়ৰ জ্যেষ্ঠ অধিবক্তা বি ভি আচাৰায় থাকিব। শ্ৰী বিৰলাই কয় যে সমিটীয়ে যিমান পাৰি সোনকালে প্ৰতিবেদন দাখিল কৰিব। অধ্যক্ষই সদনক জনোৱা মতে, ন্যায়াধীশ যশৱন্ত বাৰ্মাক অপসাৰণৰ বাবে শাসক আৰু বিৰোধীৰ পৰা ১৪৬জন সাংসদে স্বাক্ষৰ কৰা জাননী তেওঁ গ্ৰহণ কৰিছে। ন্যায়াধীশ বৰ্মাক অপসাৰণৰ জাননী লোকসভাৰ অধ্যক্ষই স্বীকাৰ কৰে । তেওঁ অৱশ্যে কয়, এই সন্দৰ্ভত প্ৰস্তাৱ তদন্ত সমিতিৰ প্ৰতিবেদন লাভ নকৰালৈকে স্থগিত থাকিব।

০০০০০০০

১৯ আৰু ২২ বছৰ অনূৰ্ধ এছিয়ান বক্সিং চেম্পিয়নশ্বিপত মহিলাৰ ৮০ কিলোগ্ৰাম প্লাছ্ শাখাত ৰিতিকাৰ সোণৰ পদক জয়েৰে ভাৰতে সফলতাৰে নিজৰ অভিযান সামৰিছে। বেংকক অনুষ্ঠিত এই প্ৰতিযোগিতাত ভাৰতে দুয়োটা বয়সৰ শাখাতে মুঠ ২৭টা পদক অৰ্জন কৰে। ১৯ বছৰ অনূৰ্ধ দলটোৱে তিনিটা সোণ, ৭টা ৰূপ আৰু ৪টা ব্ৰঞ্জসহ মুঠ ১৪টা পদকেৰে প্ৰতিযোগিতাত দ্বিতীয় স্থান দখল কৰে। ভাৰতীয় দলটো কেৱল এটা সোণৰ পদকৰ বাবে উজবেকিস্তানৰ পিছ পৰি থাকে। আনহাতে ২২ বছৰ অনূৰ্ধ দলটো এটা সোণ, চাৰিটা ৰূপ আৰু ৮টা ব্ৰঞ্জসহ মুঠ ১৩টা পদকেৰে চতুৰ্থ স্থানত থাকে।

ইয়াৰ পূৰ্বে চলিত বৰ্ষতে ভাৰতৰ ১৫ আৰু ১৭ বছৰ অনূৰ্ধ দল দুটাই এছিয়ান চেম্পিয়নশ্বিপত মুঠ ৪৩টা পদক লাভ কৰিছিল।

০০০০০০০

সমাপ্ত